সৰুপথাৰ মহাবিদ্যালয়
স্থাপিত ঃ ১৯৭০ চন
SARUPATHAR COLLEGE

# প্ৰতিবিম্ব The Reflection
ই-বাৰ্তা

দ্বিতীয় বছৰ, তৃতীয় সংখ্যা (মে'-জুন), ২০২৫, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত।। দ্বিতীয় বছৰ, তৃতীয় সংখ্যা।। মাহেকীয়া ই-বাৰ্তা, ৩০ জুন, ২০২৫, সোমবাৰ

## বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বৃক্ষ ৰোপণ

৫ জুন, ২০২৫ তাৰিখ 'বিশ্ব পৰিৱেশ দিৱস' উপলক্ষে সৰুপথাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা বাহিনী (NSS)ৰ উদ্যোগত বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ভিন্ন সময়ত সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত সৰুপথাৰ সমজিলাৰ ভিন্ন প্ৰান্তত বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিশেষকৈ ৰাষ্ট্ৰীয় সেৱা বাহিনী (NSS)ৰ উদ্যোগত প্ৰায়েই বৃক্ষ ৰোপণ কাৰ্যসূচী হাতত লোৱা হয়।




উল্লেখ্য যে বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ৪ জুন, ২০২৫ তাৰিখে অসমৰ 'অৰণ্য মানৱ' খ্যাত পদ্মশ্ৰী যাদৱ পায়েং ডাঙৰীয়া সৰুপথাৰ মহাবিদ্যালয়ত উপস্থিত হয়। প্ৰকৃতি সম্পৰ্কীয় বহু গুৰুত্বপূৰ্ণ বক্তৃতা তেখেতে ডাঙি ধৰে। সমান্তৰালকৈ মহাবিদ্যালয়ৰ প্ৰাঙ্গনত যাদৱ পায়েঙে বৃক্ষ ৰোপণ কৰে।■

## শ্বহীদ কুশল কোঁৱৰৰ ৮২ সংখ্যক স্মৃতি দিৱসত শ্ৰদ্ধাঞ্জলী অনুষ্ঠান

১৫ জুন ২০২৫ তাৰিখ স্বাধীনতা সংগ্ৰামী তথা শ্বহীদ কুশল কোঁৱৰৰ মৃত্যু দিৱস। ৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ প্ৰথম শ্বহীদ তথা ফাঁচীকাঠত মৃত্যুক আকোৱালি লোৱা শ্বহীদ কুশল কোঁৱৰৰ এই ৮২ সংখ্যক মৃত্যু দিৱস ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত কৰা হয়। ৰাজ্যৰ ঠায়ে ঠায়ে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তি বিশেষে আজিৰ মৃত্যু তিথিত অমৰ শ্বহীদজনক শ্ৰদ্ধাৰে স্মৰণ কৰা হয়।



বিয়াল্লিশৰ ভাৰত ত্যাগ আন্দোলনৰ ফাঁচিকাঠত মৃত্যু বৰণ কৰা একমাত্ৰ শ্বহীদ সৰুপথাৰৰ কুশল কোঁৱৰৰ ৮২ সংখ্যক মৃত্যু দিৱস ১৫ জুন ২০২৫ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ কুশল কোঁৱৰ অধ্যয়ন কেন্দ্ৰ আৰু ইতিহাস বিভাগৰ সহযোগত স্মৰণ কৰা হয়। প্ৰত্যন্ত এলেকাৰ পৰা দেশমাতৃৰ উদ্ধাৰৰ বাবে এনে দুঃসাহসীক নেতৃত্ব আৰু আত্মত্যাগে প্ৰজন্মৰ পাছত প্ৰজন্মক উদুদ্ধ কৰিব। কুশলৰ আত্মগাথা সকলোৰে বাবে প্ৰেৰণা আৰু সাহসৰ প্ৰতীক হৈ ৰওক। তাৰেই কামনাৰে সৰুপথাৰ মহাবিদ্যালয়ত শ্ৰদ্ধঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়।

উল্লেখ্য যে, ১৯০৫ চনত বৰ্তমানৰ গোলাঘাট জিলাৰ অন্তৰ্গত ফৰকাটিং বালিজান গাঁৱত কুশল কোঁৱৰৰ জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল সোণাৰাম কোঁৱৰ আৰু মাতৃৰ নাম আছিল কনকেশ্বৰী কোঁৱৰ। ১৯৪২ চনৰ ৯ অক্টোবৰত সংঘটিত হোৱা সৰুপথাৰৰ ৰে'ল দুৰ্ঘটনাৰ বাবে অভিযুক্ত কৰি তেওঁক ১৯৪২ চনৰ তিনি নৱেম্বৰত গ্ৰেপ্তাৰ কৰিছিল বৃটিছ চৰকাৰে। তেওঁৰ বিৰুদ্ধে চলা বিচাৰত এই দুৰ্ঘটনাৰ বাবে দোষী সাব্যস্ত কৰি ১৫ জুনত মৃত্যুদণ্ডৰ শাস্তি বিহা হৈছিল শ্বহীদ কুশল কোঁৱৰক।■

## সৰুপথাৰ মহাবিদ্যালয়ত অসম ভিত্তিত কুইজ প্ৰতিযোগিতা

১৬ জুন, ২০২৫ তাৰিখ সোমবাৰে সৰুপথাৰ মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত এখনি প্ৰাইজমানি কুইজ প্ৰতিযোগিতা সফলতাৰে সম্পন্ন হৈ যায়। ধনশিৰি সাংবাদিক সংস্থা আৰু ছাত্ৰ একতা সভাৰ সহযোগিতাত অনুষ্ঠিত হোৱা এই কুইজত অসমৰ বিভিন্ন প্ৰান্তৰ ১৭ টা দলে অংশগ্ৰহণ কৰে। প্ৰাইজমানি হিচাপে নগদ ধন আৰু মানপত্ৰ লাভ কৰে ক্ৰমে- প্ৰথম স্থানত তেজপুৰ বিশ্ববিদ্যালয়ৰ পূৰ্বাহ্ন বৰা আৰু বিশাল শৰ্মাই, দ্বিতীয় স্থানত গুৱাহাটিৰ এছ, বি দেওৰা মহাবিদ্যালয়ৰ পাৰ্থপ্ৰতিম ভৰলুৱা আৰু শক্তিমান পেগু, তৃতীয় স্থানত বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ভাৰ্গৱ ভূএগ্ৰা বিদ্যাপতি আৰু ৰাতুল তহবিলদাৰ, চতুৰ্থ স্থানত সৰুপথাৰ মহাবিদ্যালয়ৰ দুলেশ্বৰ শইকীয়া আৰু দিজু গগৈ, পঞ্চম স্থানত অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰজ্ঞান প্ৰতিম শৰ্মা আৰু পাৰ্থপ্ৰতিম দাস, ষষ্ঠ স্থানত থাকে তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰতীক শৰ্মা আৰু হোমেন বৰগোহাঞি। কুইজখন পৰিচালনা কৰে সম্প্ৰীতি কুইজ ফ'ৰামৰ হৈ চিৰঞ্জিত দত্ত, ড° ধ্ৰুৱজ্যোতি মহন্ত, ড° মৌচুমী মাধৱ আৰু চিন্ময়ী ফুকনে। সৰুপথাৰ মহবিদ্যালয়ৰ সত্যব্ৰত দত্তই আঁতধৰা প্ৰতিযোগিতাখনিত সাংবাদিক সংস্থাৰ হৈ দ্বিপেন কুমাৰ বৰা, মাখমুদ আলিৰ লগতে নিমন্ত্ৰিত অতিথিসকল উপস্থিত থাকে। সংশ্লিষ্ট সকলোলৈকে মহাবিদ্যালয় পৰিয়ালবৰ্গই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে।■

## প্ৰকল্প সঞ্চালক আৰু সহ প্ৰকল্প সঞ্চালকক সম্বৰ্ধনা

ICSSRৰ অন্তৰ্গত (Assessing the role of Jal Jeevan Mission in empowering women in rural Assam) 'অসমৰ গ্ৰাম্যাঞ্চলৰ মহিলা সবলীকৰণৰ ক্ষেত্ৰত জল জীৱন মিছনৰ ভূমিকাৰ মূল্যায়ন' শীৰ্ষক গৱেষণা-প্ৰকল্পৰ বাবে নিৰ্বাচিত হোৱা সৰুপথাৰ মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ উদ্যমী সহকাৰী অধ্যাপকদ্বয় ড° সঞ্জয় ৰিজাল (প্ৰকল্প সঞ্চালক) আৰু ড° প্ৰীতম সূত্ৰধৰক (সহ প্ৰকল্প সঞ্চালক) ১৬ মে' ২০২৫ তাৰিখে আনুষ্ঠানিকভাৱে মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইতিমধ্যে কাম আৰম্ভ হোৱা এই গৱেষণা-প্ৰকল্পত সহকাৰী গৱেষক তথা ক্ষেত্ৰ অনুসন্ধানকাৰী হিচাপে ক্ৰমে নিজৰা তিৰ্কী আৰু ছাহিদ ৰাভাই যোগদান কৰিছে। সম্বৰ্ধনা অনুষ্ঠানটি আয়োজন কৰে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষে।■



## বিনামূলীয়া চিকিৎসা শিবিৰৰ দুটা বছৰ

সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগ আৰু সৰুপথাৰ অসামৰিক চিকিৎসালয়ৰ সহযোগত প্ৰতি মাহৰ প্ৰথমটো শনিবাৰে সম্পন্ন হৈ অহা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কাৰ্যসূচীয়ে ইতিমধ্যে দুটা বছৰ সম্পূৰ্ণ কৰিলে। ২০২৩ বৰ্ষৰ ৬ মে' তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত এই স্বাস্থ্য শিবিৰ আৰম্ভ হৈছিল। সৰুপথাৰ অঞ্চলৰ বিভিন্ন ঠাইত, ভিন ভিন শিক্ষানুষ্ঠানত ইমান নিয়াৰিকৈ নিস্বাৰ্থভাৱে এই কাম কৰাত সদায় মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে সৰুপথাৰ অসামৰিক চিকিৎসালয়ৰ সন্মানীয় অধীক্ষক, জ্যেষ্ঠ চিকিৎসক ডাঃ অজিত গগৈ আৰু তেওঁৰ সহযোগীসকলে। তেখেতসকলৰ এই সেৱাৰ মনোবৃত্তিক সৰুপথাৰ মহাবিদ্যালয়ৰ হৈ সন্মানীয় অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে ধন্যবাদ জ্ঞাপন কৰে। এই সেৱাৰ দ্বাৰা বৃহত্তৰ সৰুপথাৰ অঞ্চলৰ বহুজন উপকৃত হৈছে। আজি দুবছৰীয়া বৰ্ষপূতিত আমাৰ কলেজতে স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হয়। ডাঃ গগৈদেৱ আৰু সহযোগী চিকিৎসকবৃন্দ, নাৰ্ছ তথা অন্যান্য সহকাৰী সকলোলৈকে অন্তৰভৰা শ্ৰদ্ধা, কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগতে পৰিয়ালবৰ্গই। চিকিৎসা শিবিৰৰ দলটোলৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনাও জনোৱা হয়।■



## জুন মাহৰ প্ৰথমটো শনিবাৰে বিনামূলীয়া চিকিৎসা সেৱা

৭ জুন, ২০২৫, জুন মাহৰ প্ৰথমটো শনিবাৰ। সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগ আৰু সৰুপথাৰ সমজিলা অসামৰিক চিকিৎসালয়ৰ সহযোগত বেতনি তিনিআলি প্ৰাথমিক বিদ্যালয়ত বেতনি গাঁৱৰ ৰাইজৰ বাবে এটি মুকলি স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয়। এই শিবিৰটি সুকলমে সম্পন্ন কৰাত বেতনিবাসী ৰাইজৰ লগতে বিশেষভাৱে সহায় কৰিলে শ্ৰীযুতা ৰূপাঞ্জলি শইকীয়া বাইদেৱে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়াই সংশ্লিষ্ট সকলোলৈকে আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে।■



### বিনামূলীয়া চিকিৎসা সেৱাৰ আলোকচিত্ৰ






## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক(কলা) চূড়ান্ত পৰীক্ষাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ স্থান লাভ

যাত্ৰা অসীম অনন্ত....ছাত্ৰ-ছাত্ৰীৰ সাফল্য

সদ্যঘোষিত স্নাতক (কলা) চূড়ান্ত পৰীক্ষাৰ ফলাফলত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সফলতাই গৌৰান্বিত কৰিছে। কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজনীতি বিজ্ঞান বিভাগৰ অভিজিৎ ফুকনে দ্বিতীয় স্থান প্ৰাপ্তিৰে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। বুৰঞ্জী বিভাগৰ ৰঞ্জন শৰ্মাই ১২ সংখ্যক, বৰ্ণালী মুণ্ডাই ১৯ সংখ্যক, অঞ্জনা বৰুৱা আৰু অসমীয়া বিভাগৰ আস্মা বেগমে ২২ সংখ্যক স্থান, সমাজতত্ত্ব বিভাগৰ ভাস্কৰজ্যোতি তামুলীয়ে ২৭ আৰু লাকী তালুকদাৰে ২৯ সংখ্যক স্থান লাভ কৰিছে। সৰ্বমুঠ উত্তীৰ্ণৰ হাৰ ৮১.৬৮। কৃতী ছাত্ৰ-ছাত্ৰীসকলৰ লগতে মহাবিদ্যালয়ৰ সন্মানীয় শিক্ষকসকললৈ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়ে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে । ■

## আন্তঃৰাষ্ট্ৰীয় 'কিক বক্সিং' প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰীৰ সাফল্য

যাত্ৰা অসীম অনন্ত...ছাত্ৰ-ছাত্ৰীৰ সাফল্য

২০ আৰু ২১ জুন, ২০২৫ তাৰিখে নেপালত অনুষ্ঠিত "Indo Nepal International Games '2025' ত সৰুপথাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক ১ম বৰ্ষৰ ছাত্ৰী নাং চেন চিৰিঙে 'কিক বক্সিঙ'ৰ নিম্ন শাখাৰ ৬০ কেজিত অংশ গ্ৰহণ কৰি স্বৰ্ণ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। ছাত্ৰীগৰাকীৰ এই সফলতাই মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গক আনন্দিত কৰিছে। চেন চিৰিঙলৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়ে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে । ■

## বীৰ চিলাৰায় ছাত্ৰাবাসৰ প্ৰশংসনীয় পদক্ষেপ

২২ জুন ২০২৫ তাৰিখ দেওবাৰ। সৰুপথাৰ মহাবিদ্যালয়ৰ বীৰ চিলাৰায় ছাত্ৰাবাসৰ ছাত্ৰসকলে স্বেচ্ছামূলক সেৱা আগবঢ়ায়। মহাবিদ্যালয়ৰ ছাত্ৰসকলে মহাবিদ্যালয়খনি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাত সদায়েই সহযোগী হৈ আহিছে। দেওবাৰেও ৰাতিপুৱা ছাত্ৰসকলে মহাবিদ্যালয়ৰ প্ৰতি থকা তেওঁলোকৰ আন্তৰিকতা কৰ্মৰে প্ৰকাশ কৰে। উল্লেখ্য যে সৰুপথাৰ মহাবিদ্যালয়ৰ বীৰ চিলাৰায় ছাত্ৰাবাসৰ আৱাসী ছাত্ৰসকলে ভিন্ন সময়ত মহাবিদ্যালয়ৰ চৌপাশ পৰিষ্কাৰ কৰাৰ লগতে বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে।■

## একুৱাৰিয়াম (Aquarium) প্ৰস্তুতকৰণ সম্পৰ্কীয় পাঠদান

সৰুপথাৰ মহাবিদ্যালয়ৰ এবছৰীয়া বৃত্তিমুখী পাঠ্যক্ৰম 'আধুনিক মীন পালন'ৰ শ্ৰেণীসমূহৰ লগত সংগতি ৰাখি আগবঢ়োৱা হয় একুৱাৰিয়াম প্ৰস্তুতকৰণ সম্পৰ্কীয় পাঠদান।একুৱাৰিয়াম কেনেকৈ সাজিব পাৰি সেই সম্পৰ্কে এটা মনোগ্ৰাহী আলোচনা বৰপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পবিত্ৰ চুতীয়াই আগবঢ়ায়। 'আধুনিক মীন পালন' পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই পাঠদানে যথেষ্ট উপকৃত কৰিব। ■

## উচ্চতৰ মাধ্যমকি ১ম বৰ্ষৰ নিয়মীয়া পাঠদান আৰম্ভ

১৯ মে', ২০২৫ তাৰিখৰ পৰা সৰুপথাৰ মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক ১ম বৰ্ষৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিয়মীয়া পাঠদান আৰম্ভ হৈছে। উচ্চতৰ মাধ্যমকি ২য় বৰ্ষৰ শ্ৰেণীসমূহো চলি আছে। বৰ্তমান মহাবিদ্যালয়খনে সাজু হৈ আছে কলা আৰু বাণিজ্যৰ স্নাতক ১ম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীক আদৰিবলৈ। মহাবিদ্যালয়ত নামভৰ্তি প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। ■

## অসম কলেজ শিক্ষক সংস্থা গোলাঘাট মাণ্ডলিক সমিতিৰ প্ৰথম বৰ্ধিত কাৰ্যনিৰ্বাহক

২৬ জুন ২০২৫ তাৰিখে অসম কলেজ শিক্ষক সংস্থা গোলাঘাট মাণ্ডলিক সমিতিৰ প্ৰথম বৰ্ধিত কাৰ্যনিৰ্বাহক অনুষ্ঠিত হয় সৰুপথাৰ মহাবিদ্যালয়ত। সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষক গোটে আয়োজন কৰা কাৰ্যনিৰ্বাহকখনত উপস্থিত থাকে অসম কলেজ শিক্ষক সংস্থা গোলাঘাট মাণ্ডলিক সমিতিৰ বিষয়ববীয়াসকল। ■

## ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সৈতে সংগতি ৰাখি অসম ভিত্তিত ভূপেন্দ্ৰ সঙ্গীত প্ৰতিযোগিতা

২৮ জুন, ২০২৫ তাৰিখে ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সৈতে সংগতি ৰাখি সৰুপথাৰ মহাবিদ্যালয়ৰ 'ভূপেন হাজৰিকা অধ্যয়ন কেন্দ্ৰ'ই আয়োজন কৰে সদৌ অসম ভিত্তিত প্ৰাইজমানি ভূপেন্দ্ৰ সঙ্গীত প্ৰতিযোগিতা। প্ৰতিযোগিতাখনিত অসমৰ ভিন্ন ঠাইৰ পৰা প্ৰতিযোগী আহি অংশগ্ৰহণ কৰি ১ম, ২য় আৰু ৩য় স্থান লাভ কৰিবলৈ সক্ষম হয় ক্ৰমে তিনিচুকীয়াৰ প্ৰীতম দত্ত, নুমলীগড়ৰ বিস্তীৰ্ণা দাস আৰু শিৱসাগৰৰ ৰতন কোঁৱৰে। চতুৰ্থ আৰু পঞ্চম স্থানত থাকে প্ৰান্তিকা প্ৰিয়ম শৰ্মা আৰু নেইনা ধৰ। বিচাৰকৰ আসনত আছিল শ্ৰদ্ধাৰ শ্ৰীযুত জয়ন্ত নাথ, শ্ৰীযুত ৰঞ্জন দত্ত আৰু মীনাক্ষী বৰা। অনুষ্ঠানটিৰ আঁত ধৰে সমন্বয়ক প্ৰাঞ্জল দত্ত আৰু অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ববিতা দত্তই। প্ৰতিযোগিতাখনি সাফল্য মণ্ডিত ভাৱে সম্পন্ন হ'বলৈ পুৰস্কাৰসমূহ আগবঢ়োৱা সন্মানীয় দাতাসকল আছিল সৰ্বশ্ৰী প্ৰণতি শইকীয়া, ৰঞ্জিত বৰা আৰু মণিপ্ৰভা বৰা।■



## সৰুপথাৰ মহাবিদ্যালয়ত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

২০ জুন ২০২৫ তাৰিখে, সৰুপথাৰ মহাবিদ্যালয় সাংস্কৃতিক কোষৰ উদ্যোগত আৰু মহিলা কোষৰ সহযোগত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে বিষ্ণুৰাভাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলী অৰ্পণ কৰি বন্তি প্ৰজ্বলন কৰে। ছাত্ৰ বিশ্বজিৎ শইকীয়াৰ বিষ্ণুৰাভাৰ গীতত নৃত্য প্ৰদৰ্শনেৰে অনুষ্ঠান আৰম্ভ হয়। অনুষ্ঠানটোৰ আঁত ধৰে মহিলা কোষৰ আহ্বায়িকা তথা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ববিতা দত্তই। বিষ্ণু ৰাভাৰ 'ব্যক্তিত্ব আৰু কৃতি' সম্পৰ্কত বক্তৃতা প্ৰদান কৰে মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্তই। কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে কবিতা আবৃত্তি, বিষ্ণুৰাভাৰ গীত পৰিৱেশন, বিষ্ণুৰাভাৰ গীতত নৃত্য প্ৰদৰ্শনেৰে অনুষ্ঠানটি জীপাল কৰি তোলে। মহাবিদ্যালয়ৰ সমূহ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী অনুষ্ঠানত উপস্থিত থাকে।■




# English Section

## Campus Placement Drive: "Job Mela" Creates Opportunities at Sarupathar College

**Sarupathar, May 26, 2025:** Sarupathar College successfully hosted a Campus Placement Drive titled *Job Mela* on 26th May 2025. The event was a collaborative initiative by the Sarupathar College Alumni Association, Career Counselling Cell, and Training and Placement Cell (IQAC), aimed at bridging the gap between academia and industry.




A total of 19 reputed companies, including L&T Finance, ICICI Bank, HDFC Bank, Honda Golaghat, Hero Fincorp, and Rangdoi Tea Company, participated in the drive, offering varied employment opportunities across multiple sectors. The event witnessed the enthusiastic participation of around 120 candidates who appeared for interviews and interacted with prospective employers.

To enhance candidate preparedness, a pre-placement training session on "How to Face an Interview" was conducted on 24th May by expert trainers under the initiative of the Alumni Association. The session covered key aspects such as communication skills, body language, and confidence-building.

The drive concluded with positive feedback from recruiters, who praised the quality of candidates and the smooth organization of the event. The organisers were lauded for their joint efforts in making the initiative a resounding success.■

## World Environment Day Observed with Inspiring Guest Lecture by Padma Shri Jadav Payeng

**Sarupathar, June 4, 2025:** In observance of World Environment Day, Sarupathar College organized a Special Guest Lecture Programme on June 4 under the theme *"Our Nature, Our Responsibility."* The event was graced by renowned environmentalist and Padma Shri awardee Jadav Payeng, famously known as the "Forest Man of India." In the presence of the Principal, faculties, and students, Mr. Payeng delivered a compelling lecture on environmental sustainability. He stressed that nature is self-regulating, but human interference has disrupted its balance, calling for conscious and collective action to restore harmony. Critiquing the trend of "fashionable plantation," Mr. Payeng emphasized the need for sincere, organic efforts in conservation. He also spoke on the harmful impacts of chemical-based agriculture and non-native plantations, urging a return to traditional and sustainable practices.



The session concluded with an engaging Q&A and a symbolic tree plantation by Mr. Payeng and NSS Cadres, reinforcing the event's core message. The programme left a lasting impression, inspiring the college community to embrace environmentally responsible living.■

## Sarupathar College NSS Unit Extends Support to Ailing Former Student

**Sarupathar, June 13, 2025:** In a remarkable display of compassion and unity, the NSS Unit of Sarupathar College, along with students, faculty, and hostel boarders, came together to support a former student, Bitul Garh, who is currently battling a serious illness. Spearheaded by NSS Programme Officer Agni B. Chetri, a team comprising NSS volunteers Shiva Boro, Kuldeep Gogoi, Jayanta Konwar, and Joydeep Minj visited the residence of Bitul Garh at Kamalpur village under Sorupani Gaon Panchayat. They handed over a financial contribution of [1] 13,000 to his mother, Smti Sakuntala Garh. The amount was raised through voluntary donations from the college community, including support from the Principal Dr. Prapti Thakur, teaching staff, hostel boarders, and students.



Bitul Garh, a former Assistant General Secretary of the Sarupathar College Students' Union (2021-22), is undergoing treatment for a serious illness. The donation served as a gesture of solidarity and support during this challenging time. This compassionate initiative reflects the deep sense of social responsibility upheld by Sarupathar College and highlights the values of empathy, unity, and community service among its members. The college community extends its sincere wishes for Bitul Garh's speedy recovery.■

## Free Textbooks Distributed to Higher Secondary Students at Sarupathar College

***Sarupathar, June 1, 2025:*** Sarupathar College distributed free textbooks to the Higher Secondary students for the 2025–2026 academic year as part of a government initiative to promote inclusive and accessible education. The distribution took place on campus and benefited students from both Arts and Commerce streams. Faculty members and administrative staff coordinated the process smoothly, ensuring that all eligible students received their textbooks on time. The initiative was warmly welcomed by students and parents alike, as it significantly reduced the financial burden of education and encouraged academic preparedness for the new session.■



## Sarupathar College Observes International Day for Biological Diversity

***Sarupathar, May 22, 2025:*** Sarupathar College commemorated the *International Day for Biological Diversity* with a special lecture programme held at the Muhikanta Tamuli Auditorium. The event featured Mr. Kushadeep Hatimata, noted environmentalist and writer, as the keynote speaker. In his thought-provoking address, Mr. Hatimata spoke on the definition, significance, and conservation of biodiversity, leaving a lasting impression on students, faculty members, and staff in attendance.




The programme was coordinated by Mr. Pranjal Dutta, Senior Faculty of the English Department. Principal Dr. Prapti Thakur extended sincere thanks to Mr. Hatimata and all participants for contributing to the success of the event.■

## Sarupathar College Observes 11th International Yoga Day with Enthusiasm

**Sarupathar, June 21, 2025:** Sarupathar College celebrated the 11th International Yoga Day with great spirit and participation at the college auditorium premises. The event, held under the theme *"Yoga for Healthy Earth, One Health,"* witnessed enthusiastic involvement from a diverse group of participants. Principal Dr. Prapti Thakur, along with faculty members, NSS volunteers, NCC cadets, Yoga Diploma students, alumni, yoga instructors, college office staff, members of Seva Bharti Purbanchal, and students, collectively participated in the observance of this global day dedicated to wellness and mindfulness. The two-hour-long yoga session was led by experienced yoga instructors, who guided participants through a series of essential yoga postures suitable for daily practice. The programme aimed to promote physical and mental well-being while emphasizing the connection between individual health and planetary health. The successful observance reflected the college's commitment to holistic development and a healthier future for all.■



## Sanitary Pads Distribution Program Held at Sarupathar College

***Sarupathar, May 28, 2025:*** On the occasion of World Menstrual Hygiene Day, the Women Cell of Sarupathar College, in collaboration with the Internal Quality Assurance Cell (IQAC), organized a Sanitary Pads Distribution Program on May 28, 2025. The program aimed to raise awareness about menstrual hygiene and promote a sense of dignity and health among the female students. Principal Dr. Prapti Thakur, along with Women Cell members, distributed sanitary pads to the girl students. Dr. Thakur, Dr. Bobita Dutta, and Trishmita Borah addressed the girls, emphasizing the importance of menstrual health and the need to break societal taboos around the topic. The initiative was lauded for its positive impact on creating a supportive and inclusive environment on campus.■

## Sarupathar College Observes Day Against Superstitious Beliefs

***Sarupathar, May 13, 2025:*** The Day Observation Cell, in collaboration with the IQAC of Sarupathar College, organized a programme to mark the Day Against Superstitious Beliefs on May 13, 2025, at the College Conference Hall. Aimed at spreading awareness about the dangers of superstitions and encouraging scientific thinking, the event was hosted by Krishna Konwar. Vice Principal Jayanta Kr. Bora, Dr. Pranab Dhekial Phukam, and Dr. Bobita Dutta delivered insightful speeches on the theme. The initiative was well received and praised for promoting rational thought and contributing to a progressive academic atmosphere.■

## Sarupathar College Hosts Week-long Student Induction Programme for First Semester Students

***Sarupathar, June 27, 2025:*** Sarupathar College successfully conducted a week-long Student Induction Programme for the newly admitted B.A. and B.Com. 1st Semester students from 23rd to 27th June 2025. Held at the College Auditorium, the programme was organised by the Internal Quality Assurance Cell (IQAC) in collaboration with the Admission Committee.



Divided into 10 technical sessions, the programme aimed to familiarise students with the academic structure, institutional values, and career prospects ahead. The sessions were conducted by experienced faculty members and saw enthusiastic participation from the incoming batch.



The programme began with an inaugural ceremony, where Dr. Ridip Khanikar, IQAC Coordinator, introduced the college administration and faculty. Vice Principal Mr. Jayanta Borah delivered a keynote on the National Education Policy (NEP) 2020, followed by an inspiring session by Dr. Khanikar welcoming the new batch. Throughout the week, sessions covered topics such as NEP and its civilisational roots (Dr. Prem Kanta Bora), FYUGP structure (Dr. Pranab Phukan), Commerce education and career scope (Mr. Porag Bhuyan), and institutional overview (Dr. Prapti Thakur, Principal).

Other highlights included a talk on the importance of English in daily life by Ms. Trishmita Borah, a session on career-integrated education by Mr. Sandhan Hazarika, and a presentation on digital literacy and library resources by Ms. Smita Chetia. The final session on Intellectual Property Rights (IPR) was jointly conducted by Dr. Sanjay Rizal and Dr. Pritom Sutradhar.

The programme concluded with a Valedictory Session, where Dr. Khanikar extended his gratitude to all students, speakers, and organisers for their active engagement and support in making the event a success.■

## Open Quiz Competition Energizes Sarupathar College Campus

**Sarupathar, June 6, 2025:** The Muhikanta Tamuli Auditorium came alive with enthusiasm as the Sarupathar College Quiz Forum organized an Open Quiz Competition for HS First and Second year students on 6th June 2025. The event was inaugurated by Vice-Principal Jayanta Kumar Bora, who underscored the value of academic competitions in fostering knowledge and critical thinking.



Quiz masters Mr. Sandhan Hazarika and Dr. Pritom Sutradhar led the event with engaging questions spanning various subjects, keeping participants and the audience on their toes. The vibrant atmosphere reflected the students' enthusiasm and intellectual spirit.

In his concluding remarks, Dr. Pranab Phukan emphasized the role of data collection and analytical skills in effective exam preparation, advocating for a systematic approach to study. The event wrapped up with a vote of thanks from Mr. Hazarika, appreciating the efforts of participants and organizers alike. The competition not only showcased student talent but also reinforced a sense of community within the college.■

### আলোকচিত্ৰ




সৰুপথাৰ মহাবিদ্যালয়ত অসম ভিত্তিক কুইজ প্ৰতিযোগিতা



আন্তঃৰাষ্ট্ৰীয় 'কিক বক্সিং' প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নাং চেন চিৰিঙৰ সাফল্য



অসম কলেজ শিক্ষক সংস্থা গোলাঘাট মাণ্ডলিক সমিতিৰ প্ৰথম বৰ্ধিত কাৰ্যনিৰ্বাহক




সৰুপথাৰ মহাবিদ্যালয়ৰ বীৰ চিলাৰায় ছাত্ৰাবাসৰ ছাত্ৰসকলে স্বেচ্ছামূলক সেৱা আগবঢ়ায়।






সৰুপথাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা নিয়োগ মেলাৰ আলোকচিত্ৰ




ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক(কলা) চূড়ান্ত পৰীক্ষাত সৰুপথাৰ মহাবিদ্যালয়ৰ স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকল






**Sarupathar College Hosts Week-long Student Induction Programme for First Semester Students**

**প্ৰতিবিম্ব ই-বাৰ্তাৰ এই সংখ্যাৰ**
সম্পাদনা সমিতিঃ
মুখ্য উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ
উপদেষ্টাঃ ড° ৰবিতা দত্ত
সম্পাদকঃ সত্যব্ৰত দত্ত
সম্পাদক (ইংৰাজী শাখা)ঃ তৃস্মিতা বড়া
সহঃ সম্পাদকঃ যুগল মেধি
কাৰিকৰী ব্যৱস্থাপনা ঃ যুগল মেধি